# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-09-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ দীনদয়াল উপাধ্যায় মাৰ্গত বিজেপিৰ নতুন কাৰ্যালয় উদ্বোধন কৰে।

২। কেন্দ্ৰীয় চৰকাৰে ভূটানৰ সৈতে সম্পৰ্ক শক্তিশালী কৰি তোলাৰ বাবে অসম আৰু পশ্চিমবংগৰ সৈতে ভূটান সংযোগী দুটা ৰে'ল প্ৰকল্প ৰূপায়ণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

৩। দেশৰ আভ্যন্তৰীণ আৰু বাহ্যিক সুৰক্ষা প্ৰত্যাহ্বান সমূহৰ উচিত ভাবে মোকাবিলা কৰিব পৰাকৈ বাস্তৱসন্মত প্ৰস্তুতিৰ ওপৰত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গুৰুত্ব আৰোপ কৰিছে।

*আৰু*

৪। দিল্লীত অনুষ্ঠিত আই এছ এছ এফ জুনিয়ৰ মহিলা বিশ্বকাপত ১০ মিটাৰ এয়াৰ ৰাইফল ইভেণ্টত ভাৰতে শ্ৰেষ্ঠত্ব অৰ্জন কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ দীনদয়াল উপাধ্যায় মাৰ্গত বিজেপিৰ নতুন কাৰ্যালয় উদ্বোধন কৰে। বিজেপিৰ সভাপতি জগৎ প্ৰকাশ নড্ডাই ২০২৩ চনৰ ২ জুন তাৰিখে এই কাৰ্য্যালয়ৰ আধাৰশিলা স্থাপন কৰিছিল। উদ্বোধনী অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে নৱৰাত্ৰিৰ পবিত্ৰ সময়ত বিজেপিয়ে এই নতুন কাৰ্য্যালয় লাভ কৰিছে। উদ্বোধনী অনুষ্ঠানত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাকে ধৰি দলৰ জ্যেষ্ঠ নেতা, সাংসদ, বিধায়ক, কেন্দ্ৰীয় মন্ত্ৰী তথা কৰ্মকৰ্তা সকল উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি জে পি নড্ডাই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত দল আৰু দেশৰ বাবে উৎসৰ্গা কৰিছে। ইয়াৰ পূৰ্বে, দিল্লী বিজেপিৰ মুৰব্বী বীৰেন্দ্ৰ শচদেৱাই কয়, যে এই নতুন কাৰ্যালয়টো কেৱল এটা কৰ্মস্থলীয়ে নহয় বৰং ই হৈছে দলৰ সংস্কৃতি তথা মূল্যবোধক ইয়াৰ কৰ্মকৰ্তা সকলৰ মাজত পোষণ কৰাৰ এটা কেন্দ্ৰ। তেওঁ এই নতুন কাৰ্যালয়টোৰ উদ্বোধনক দিল্লীত বিজেপিৰ যাত্ৰাৰ এটা ঐতিহাসিক মুহূৰ্ত বুলি অভিহিত কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ভূটানৰ সৈতে সম্পৰ্ক শক্তিশালী কৰি তোলাৰ বাবে অসমৰ কোকৰাঝাৰৰ পৰা গেলেফু আৰু পশ্চিমবংগৰ বানৰহাটৰ পৰা চামছে সংযোগী দুটা ৰে'ল প্ৰকল্প ৰূপায়ণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ৪ হাজাৰ ৩৩ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্প দুটাৰ ফলত দুয়োদেশে লাভৱান হ'ব বুলি কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত বিদেশ সচিব বিক্ৰম মিশ্ৰীৰ সৈতে এখন সংবাদমেলত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কোকৰাঝাৰৰ পৰা গেলেফু সংযোগী ৬৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথছোৱা নিৰ্মাণৰ বাবে ৩ হাজাৰ ৪৫৬ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে। একেদৰে ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ বানৰহাট ছামছে ৰে'ল প্ৰকল্পৰ বাবে ৫৭৭ কোটি টকাৰ ব্যয় নিৰ্ধাৰণ কৰা হৈছে। এই সমগ্ৰ ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বিদেশ সচিব শ্ৰী মিশ্ৰীয়ে এই প্ৰসংগত কয়, যে প্ৰথমবাৰৰ বাবে ভূটানৰ সৈতে এনেধৰণৰ ৰে'ল প্ৰকল্প নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। বিগত বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূটান ভ্ৰমণ কালত এই সন্দৰ্ভত বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছিল বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে সুৰক্ষাজনিত দিশৰ লগতে সাংস্কৃতিক আৰু ঐতিহাসিক কালৰেপৰা দেশ দুখনৰ জনসাধাৰণৰ মাজত থকা মৈত্ৰিৰ বান্ধোন শক্তিশালী কৰাৰ ক্ষেত্ৰত এই প্ৰকল্প দুটাই বিশেষভাৱে সহায় কৰিব। ভাৰতে ভূটানৰ উন্নয়নমূলক কাৰ্যকলাপত বিশেষভাৱে অৰিহণা যোগাই আহিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে আন্তঃগাঁথনি আৰু অৰ্থনৈতিক উন্নয়নৰ দিশত এই প্ৰকল্প দুটাই গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

০০০০০

ভাৰতীয় পৰিসংখ্যা সেৱা, ভাৰতীয় দক্ষতা বিকাশ সেৱা আৰু কেন্দ্ৰীয় অভিযান্ত্ৰিক সেৱাৰ পৰিক্ষাৰ্থীসকলে আজি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দক্ষতা আৰু জ্ঞান অৰ্থনৈতিক বিকাশ আৰু সামাজিক প্ৰগতিৰ প্ৰকৃত ইন্ধন। লগতে ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দেশৰ প্ৰযুক্তিগত অগ্ৰগতি আগুৱাই নিয়াৰ স্বাৰ্থত অভিযন্তাসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু ইয়াৰ জৰিয়তে দেশৰ আন্তঃগাঁথনি উন্নয়নত সহায়ক হয়।

০০০০০

বিজেপিৰ সভাপতি জে পি নড্ডাই তামিলনাডুৰ কাৰুৰত পদপিষ্টৰ ঘটনাৰ পাছতে সৃষ্টি হোৱা পৰিস্থিতি নিৰীক্ষণ কৰিবলৈ এন ডি এৰ এটা প্ৰতিনিধি দল গঠন কৰিছে। এই ভ্ৰমণৰ সময়ত প্ৰতিনিধি দলটোৱে ক্ষতিগ্ৰস্ত পৰিয়ালক সাক্ষাৎ কৰি সভাপতিৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব। প্ৰতিনিধি দলটোৰ আহ্বায়ক হিচাপে সাংসদ হেমা মালিনীক দায়িত্ব অৰ্পণ কৰা হৈছে। আনহাতে, কেইবাগৰাকীও সাংসদকো প্ৰতিনিধি দলৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। বিজেপিৰ সভাপতি জে পি নাড্ডাই পদপিষ্টৰ ঘটনাত নিহতসকললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি তামিলনাডুৰ কাৰুৰ ভ্ৰমণ কৰি শনিবাৰে ৰাজনৈতিক সমাৱেশত সংঘটিত পদপিষ্টৰ ঘটনাৰ বুজ লয়। এই ঘটনাত মৃতকৰ সংখ্যা ৪১ জনলৈ বৃদ্ধি পাইছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত নিৰ্মলা সীতাৰমণে কয়, যে প্ৰধানমন্ত্ৰীয়ে ঘটনাৰ বুজ ল'বৰ বাবে কেন্দ্ৰীয়

ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগান আৰু বিত্ত মন্ত্ৰীগৰাকীক দায়িত্ব অৰ্পণ কৰিছে। এই ঘটনাক দুৰ্ভাগ্যজনক বুলি আখ্যা দি নিহতসকলৰ পৰিয়াললৈ ২ লাখ টকা আৰু আহতসকলক ৫০ হাজাৰ টকাৰ সাহায্য প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰে। ইয়াৰ পূৰ্বে মন্ত্ৰী দুগৰাকীয়ে নিহতসকলৰ পৰিয়ালক সমবেদনা জ্ঞাপন কৰাৰ লগতে আঘাতপ্ৰাপ্তসকলৰ স্বাস্থ্যৰ অৱস্থাৰ বুজ লয়।

০০০০০

বিজেপিৰ সভাপতি জে পি নড্ডাই তামিলনাডুৰ কাৰুৰত পদপিষ্টৰ ঘটনাৰ পাছতে সৃষ্টি হোৱা পৰিস্থিতি নিৰীক্ষণ কৰিবলৈ এন ডি এৰ এটা প্ৰতিনিধি দল গঠন কৰিছে। এই ভ্ৰমণৰ সময়ত প্ৰতিনিধি দলটোৱে ক্ষতিগ্ৰস্ত পৰিয়ালক সাক্ষাৎ কৰি সভাপতিৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব। প্ৰতিনিধি দলটোৰ আহ্বায়ক হিচাপে সাংসদ হেমা মালিনীক দায়িত্ব অৰ্পণ কৰা হৈছে। আনহাতে, কেইবাগৰাকীও সাংসদকো প্ৰতিনিধি দলৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। বিজেপিৰ সভাপতি জে পি নাড্ডাই পদপিষ্টৰ ঘটনাত নিহতসকললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনাৰ অধীনত জম্মু আৰু কাশ্মীৰৰ কিস্তৱাৰ জিলাত অভিলাষী কৃষি জিলা হিচাপে বাছনি কৰা হৈছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই পদক্ষেপে আওহতীয়া অঞ্চলটোত কৃষি খণ্ডক উৎসাহিত কৰাৰ লগতে কৃষি উদ্যমীসকলকো সহায় কৰিব। উল্লেখযোগ্য যে, কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বৰ্ষৰ বাজেটত ছবছৰৰ বাবে দেশৰ ১০০ খন অভিলাষী কৃষি জিলা বিকশাই তোলাৰ কথা ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনা অহা মাহত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হ'ব। নিম্ন শস্য উৎপাদনৰ পৰিমাণকে ধৰি কেইবাটাও বিষয়ৰ ওপৰত লক্ষ্য ৰাখি অভিলাষী কৃষি জিলাসমূহ বাচনি কৰা হৈছে।

০০০০০

দেশৰ আভ্যন্তৰীণ আৰু বাহ্যিক সুৰক্ষা প্ৰত্যাহ্বান সমূহৰ উচিত ভাবে মোকাবিলা কৰিব পৰাকৈ বাস্তৱসন্মত প্ৰস্তুতিৰ ওপৰত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত আজি ভাৰতৰ উপকূলৰক্ষী কামাণ্ডাৰৰ সন্মিলনত অংশ লৈ দিয়া ভাষণত শ্ৰী সিঙে কয়, যে প্ৰতিৰক্ষা বাহিনীসমূহ দেশৰ সুৰক্ষাৰ প্ৰতি আহিব পৰা বিভিন্ন ভাবুকি প্ৰতিহত কৰিব পৰাকৈ সাজু হৈ থকা উচিত। তেওঁ কয়, যে বৰ্তমান সময়ত প্ৰত্যাহ্বানসমূহ পৰিৱৰ্তনশীল হোৱা হেতুকে অধিক প্ৰস্তুতিৰ প্ৰয়োজন। তেওঁ লগতে স্বয়ংক্ৰিয় সুৰক্ষা ব্যৱস্থাসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰী সিঙে কয়, যে বৈদ্যুতিন সমৰসজ্জা সম্প্ৰতিক সময়ত বাস্তৱ সন্মত পন্থা হিচাপে পৰিগণিত হৈছে।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি তামিলনাডুৰ কাৰুৰ ভ্ৰমণ কৰি শনিবাৰে ৰাজনৈতিক সমাৱেশত সংঘটিত পদপিষ্টৰ ঘটনাৰ বুজ লয়। এই ঘটনাত মৃতকৰ সংখ্যা ৪১ জনলৈ বৃদ্ধি পাইছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত নিৰ্মলা সীতাৰমণে কয়, যে প্ৰধানমন্ত্ৰীয়ে ঘটনাৰ বুজ ল'বৰ বাবে কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগান আৰু বিত্ত মন্ত্ৰীগৰাকীক দায়িত্ব অৰ্পণ কৰিছে। এই ঘটনাক দুৰ্ভাগ্যজনক বুলি আখ্যা দি নিহতসকলৰ পৰিয়াললৈ ২ লাখ টকা আৰু আহতসকলক ৫০ হাজাৰ টকাৰ সাহায্য প্ৰদান কৰা হ'ব বুলি

উল্লেখ কৰে। ইয়াৰ পূৰ্বে মন্ত্ৰী দুগৰাকীয়ে নিহতসকলৰ পৰিয়ালক সমবেদনা জ্ঞাপন কৰাৰ লগতে আঘাতপ্ৰাপ্তসকলৰ স্বাস্থ্যৰ অৱস্থাৰ বুজ লয়।

০০০০০

পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰে ভাৰতৰ পৰোক্ষ কৰ ব্যৱস্থা সৰলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা ২২ ছেপ্টেম্বৰত এই নতুন ব্যৱস্থা ৰূপায়ণ কৰা হৈছে আৰু জনসাধাৰণে বৰ্তমান জি এছ্ টি সংস্কাৰৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই নতুন ব্যৱস্থাৰ অধীনত জি এছ্ টি পৰিষদে পূৰ্বৰ ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ জি এছ্ টিৰ সৰলীকৰণ কৰি ইয়াক বৰ্তমান ৫ আৰু ১৮ শতাংশ কৰিছে। সামগ্ৰী আৰু সেৱাৰ বিস্তৃত ক্ষেত্ৰত কৰৰ বোজা হ্ৰাস কৰাৰ জৰিয়তে জনসাধাৰণক যথেষ্ট সকাহ প্ৰদান কৰা হৈছে।

শেহতীয়া জি এছ্ টি সংস্কাৰে অসমৰ অৰ্থনীতিৰ বিভিন্ন খণ্ডত প্ৰভাৱ পেলাইছে। জি এছ্ টি সংস্কাৰে চাহ বাগিচা আৰু ক্ষুদ্ৰ চাহ খেতিয়কসকলক যথেষ্ট উপকৃত কৰিছে। চাহত বৰ্তমান জি এছ্ টি ৫ শতাংশলৈ হ্ৰাস হোৱাত ৰপ্তানিৰ ক্ষেত্ৰত বিশেষ সুবিধা হৈছে। একেদৰে উজনি অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলে উৎপাদন কৰা অৰ্থডক্স চাহত ৫ শতাংশ জি এছ্ টিয়ে বিশেষকৈ টী বেগত ১১ শতাংশ ব্যয় হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। আনহাতে, মুগা সূতাৰ ক্ষেত্ৰত নতুন ৫ শতাংশ জি এছ্ টিৰ হাৰে হস্তশিল্পৰ সামগ্ৰীৰ মূল্য ৬ দশমিক ২ - ৫ শতাংশলৈ হ্ৰাস কৰিব। একেদৰে গামোচাৰ ক্ষেত্ৰতো জি এছ্ টিৰ হাৰ ১২ৰ পৰা ১৫ শতাংশলৈ হ্ৰাস কৰা হৈছে।

০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত ভাৰতে তিলক বাৰ্মাৰ আকৰ্ষণীয় বেটিঙৰ সহায়ত পাকিস্তানক ৫ উইকেটত পৰাস্ত কৰি নৱমবাৰৰ বাবে এছিয়া কাপৰ খিতাপ জয় কৰে। ভাৰতে ১৪৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ ৪টা বলত ৫ উইকেটৰ বিনিময়ত ১৫০ ৰান কৰে। ভাৰতৰ হৈ তিলক বাৰ্মাই ৬৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। শিৱম ডুবেই ৩৩ আৰু সঞ্জু ছেমছনে ২৪ ৰানৰ বৰঙণি আগবঢ়ায়। পাকিস্তানৰ হৈ ফাহিম আশ্ৰফে ৩টা উইকেট দখল কৰাৰ লগতে শ্বাহিন আফ্ৰিদি আৰু আব্ৰাৰ আহমেদে এটাকৈ উইকেট লাভ কৰে।

০০০০০

দিল্লীত অনুষ্ঠিত আই এছ্ এছ্ এফ জুনিয়ৰ মহিলা বিশ্বকাপত ১০ মিটাৰ এয়াৰ ৰাইফল ইভেণ্টত ভাৰতে শ্ৰেষ্ঠত্ব অৰ্জন কৰে। ওজাছভি ঠাকুৰে ২৫২ দশমিক ৭ পইণ্টেৰে স্বৰ্ণ পদক দখল কৰে আৰু হৃদ্যাশ্ৰী কান্দুৰে ২৫০ দশমিক ২ পইণ্টেৰে ৰূপৰ পদক লাভ কৰে। এছ্ ক্ষীৰসাগৰে ২২৯ দশমিক ৪ পইণ্টেৰে ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০

সমাপ্ত